# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-12-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::::**

৪ গৰাকী নতুন মন্ত্ৰীৰ অন্তৰ্ভুক্তিৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ মন্ত্ৰী সভাৰ দপ্তৰসমূহৰ আজি ব্যাপক সাল-সলনি ঘটাইছে। মন্ত্ৰী সভাত নতুনকৈ অন্তৰ্ভুক্ত হোৱা প্ৰশান্ত ফুকনক শক্তি, দক্ষতা-বিকাশ, নিয়োগ আৰু উদ্যমিতা, প্ৰধানমন্ত্ৰীৰ আয়ুষ্মান ভাৰত যোজনাৰ অধীনৰ চিকিৎসা সেৱা আৰু গৱেষণা বিভাগৰ দায়িত্ব দিয়া হৈছে। কৌশিক ৰয়ক খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ, খনি আৰু খনিজ সম্পদ বিভাগ আৰু নৱগঠিত বৰাক উপত্যকা উন্নয়ন বিভাগৰ দায়িত্ব অৰ্পণ কৰা হৈছে। কৃষ্ণেন্দু পালক পশু পালন আৰু পশু চিকিৎসা, মীন আৰু প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনৰ লোক নিৰ্মাণ বিভাগৰ দায়িত্ব দিয়া হৈছে। ৰূপেশ গোৱালাক শ্ৰমিক কল্যাণ বিভাগ, চাহ জনজাতি আৰু আদিবাসী উন্নয়ন বিভাগ আৰু গৃহ বিভাগৰ অধীনৰ কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা বিভাগৰ দায়িত্ব দিয়া হৈছে। মুখ্যমন্ত্ৰীয়ে পূৰ্বৰ কেইবাগৰাকী মন্ত্ৰীৰ দায়িত্বৰো সালসলনি ঘটাইছে।

মুখ্যমন্ত্ৰীয়ে পূৰ্বৰ দৰেই গৃহ আৰু কৰ্মচাৰী বিভাগ, লোকনিৰ্মাণৰ গৃহ, ৰাষ্ট্ৰীয় ঘাইপথ বিভাগ আৰু লোকনিৰ্মাণৰ পথ শাখাৰ দায়িত্ব নিজৰ হাতত ৰাখিছে। কেইবাগৰাকীও পুৰণি মন্ত্ৰীক পূৰ্বৰ দায়িত্বৰ পৰা অব্যাহতি দি কেতবোৰ বিভাগৰ নতুন দায়িত্ব দিয়া হৈছে।

০০০০

অসমৰ গোৰ্খাসকলে অসম ভূমিত জন্মগ্ৰহণ কৰি অসমীয়া মাধ্যমত অধ্যয়ন কৰি অসমীয়াৰ সমান্তৰালকৈ নেপালী ভাষা সাহিত্যৰ বিকাশৰ বাবে অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি গোলাঘাট জিলাৰ সৰুপথাৰত আয়োজিত অসম নেপালী সাহিত্য সভাৰ অধিৱেশন আৰু সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে নেপালী ভাষা সাহিত্যৰ বিকাশৰ দিশত বিগত ৫০ বছৰে অসম নেপালী সাহিত্য সভাই নিৰলসভাৱে ব্ৰতী হৈ আছে। গোৰ্খা জনগোষ্ঠীয়ে নিজ মাধ্যমৰ সলনি অসমীয়া মাধ্যমৰ বিদ্যালয় স্থাপন কৰি অসমত অসমীয়া ভাষা প্ৰচাৰ আৰু প্ৰসাৰ সাধন কৰি সমন্বয়ৰ সাকো গঢ়ি বৃহত্তৰ অসমীয়া সমাজখন সমৃদ্ধ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। অনুষ্ঠানত অসম নেপালী সাহিত্য সভাই মুখ্যমন্ত্ৰীক কৰ্মযোগী উপাধি প্ৰদান কৰে। শিৱাজী ৰায় সমন্বয় ক্ষেত্ৰত আয়োজিত এই কাৰ্যসূচীত অসমৰ বিভিন্ন প্ৰান্তৰ লগতে নেপাল, ভূটান আৰু ছিকিমৰ ভালেকেইগৰাকী প্ৰতিনিধিয়ে অংশ লয়।

০০০০

কাইলৈ শ্বহিদ দিৱস। ১৯৭৯ চনৰ ১০ ডিচেম্বৰত অসম আন্দোলনত খৰ্গেশ্বৰ তালুকদাৰে প্ৰাণ বিসৰ্জন দিছিল। অসম আন্দোলনৰ ৮৬০ গৰাকী শ্বহিদলৈ শ্ৰদ্ধা জ্ঞাপনৰ উদ্দেশ্যে সদৌ অসম ছাত্ৰ সন্থাৰ লগতে ৰাজ্যবাসীয়ে ১০ ডিচেম্বৰৰ দিনটো শ্বহিদ দিৱস হিচাপে পালন কৰি আহিছে। এইবেলি সদৌ অসম ছাত্ৰ সন্থাই কেন্দ্ৰীয় শ্বহিদ

দিৱসৰ অনুষ্ঠান বগুৰান উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজন কৰা হৈছে। গোৱালপাৰা জিলা ছাত্ৰ সন্থা, বগুৰান আঞ্চলিক ছাত্ৰ সন্থা আৰু অঞ্চলবাসীৰ সহযোগত এই দিৱস পালন কৰা হ'ব। আনহাতে, ৰাজ্যৰ সকলো জিলা, মহকুমা, আঞ্চলিক ছাত্ৰ সন্থাকে ধৰি আন সংগঠনসমূহেও শ্বহিদ দিৱসৰ আয়োজন কৰিছে। সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় শ্বহিদ দিৱসৰ অনুষ্ঠানত অতিথি হিচাপে নিখিল ৰাভা ছাত্ৰ সন্থাৰ সভাপতি মতিলাল বাকচোক, সাধাৰণ সম্পাদক ড° সুভাষ ৰাভা, সদৌ কোচ্ ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি বলোৰাম বৰ্মন, সদৌ অসম নাথ যোগী ছাত্ৰ সন্থাৰ সভাপতি অৰবিন্দ নাথ, সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ সভাপতি নুল হক আদি উপস্থিত থাকিব।

oooo

চৰাইদেউৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ তৃতীয় পৰ্যায়ৰ সত্যাপন প্ৰক্ৰিয়াৰ অগ্ৰগতিৰ সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলা ন'ডেল বিষয়া নৱদ্বীপ চাংমাইয়ে জিলাখনৰ সংশ্লিষ্ট বিভাগৰ বিষয়াসকলক শীঘ্ৰে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা সম্পৰ্কীয় কাম-কাজত অংগনৱাড়ী কৰ্মীসকলক নিয়োজিত কৰিবলৈ নিৰ্দেশ দিয়ে। আনহাতে তেওঁ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ বিষয়ববীয়াক গাঁও পঞ্চায়ত পৰ্যায়ত সত্য নিৰূপকসকলক আত্মসহায়ক গোটসমূহৰ হিতাধিকাৰীসকলক চিনাক্তকৰণ প্ৰক্ৰিয়াত সহযোগিতা আগবঢ়াবলৈও নিৰ্দেশ দিয়ে।

ooooo

অহা ১৫ ডিচেম্বৰত বিজয় দিৱস উপলক্ষে শ্ৰীভূমি জিলাৰ আকবৰপুৰৰ পৰা সুতাৰকাণ্ডিলৈ শোভাযাত্ৰা উলিওৱা হ'ব। এই সন্দৰ্ভত আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত প্ৰস্তুতি সভা অনুষ্ঠিত হয়। সভাত শোভাযাত্ৰাৰ সৈতে জড়িত বিষয়াক নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ নিৰ্দেশনা দিয়া হয়। লগতে বিজয় দিৱসৰ কাৰ্যসূচীত জনসাধাৰণৰ অংশগ্ৰহণৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিভাগসমূহক দায়িত্ব দিয়া হয়। শোভাযাত্ৰাত অংশ গ্ৰহণ কৰিব বিচৰা ১৫ ৰ পৰা ২৯ বছৰ বয়সৰ যুৱক-যুৱতীসকলৰ পঞ্জীয়নৰ বাবে mybharat.govt.in পোৰ্টেল মুকলি কৰা হৈছে।

ooooo

বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে উপ মুখ্য কাৰ্যবাহী গোবিন্দ বসুমতাৰীৰ উপস্থিতিত কোকৰাঝাৰত পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়নৰ এটা কাৰ্যালয় উদ্বোধন কৰে। ৩ মহলীয়া এই ভৱনটোৰ ৬ কোটি ৫০ লাখ টকা ব্যয়েৰে নিৰ্মাণ কৰা হৈছে।

ooooo

কেন্দ্ৰীয় ৰাজহ দপ্তৰৰ সচিব সঞ্জয় মালহোত্ৰাক ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নতুন গৱৰ্ণৰ হিচাপে নিযুক্তি দিয়া হৈছে। তেওঁ বৰ্তমানৰ গৱৰ্ণৰ শক্তিকান্ত দাসৰ স্থলাভিষিক্ত হ'ব। অহা ১১ ডিচেম্বৰত ৩ বছৰৰ বাবে সঞ্জয় মালহোত্ৰাই গৱৰ্ণৰ হিচাপে দায়িত্ব গ্ৰহণ কৰিব।

ooooo

সমাপ্ত